**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-09-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। নতুন দিল্লী ভ্ৰমণলৈ অহা মৰিছাছৰ প্ৰধানমন্ত্ৰী ড০ নবীনচন্দ্ৰ ৰামগোলামে আজি ৰাজঘাটলৈ গৈ মহাত্মা গান্ধীৰ সমাধিত শ্ৰদ্ধাঞ্জলি জনায়।

২। অটোমোবাইল বজাৰৰ ক্ষেত্ৰখনত ভাৰত-জাপানক পিছ পেলাই বিশ্বৰ ভিতৰত তৃতীয় শ্ৰেষ্ঠ দেশ হিচাপে পৰিগণিত হৈছে।

৩। বিশ্বজুৰি আজি বিশ্ব অ'জ'ন দিৱস পালন কৰা হৈছে।

আৰু

৪। এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি নিশা ৮ বজাত আবু ধাবিত হ'বলগীয়া এখন খেলত বাংলাদেশ, আফগানিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

নতুন দিল্লী ভ্ৰমণলৈ অহা মৰিছাছৰ প্ৰধানমন্ত্ৰী ড° নবীনচন্দ্ৰ ৰামগোলামে আজি ৰাজঘাটলৈ গৈ মহাত্মা গান্ধীৰ সমাধিত শ্ৰদ্ধাঞ্জলি জনায়। তেওঁ লগতে সদৈৱ অটল পৰিদৰ্শন কৰে আৰু প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। পাছত মৰিছাছৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণক সাক্ষাৎ কৰে। আজি বিয়লি তেওঁ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰিব আৰু নতুন পাৰ্লিয়ামেণ্ট ভৱন পৰিদৰ্শন কৰিব। তিৰুপতি, মুম্বাই, বাৰাণসী, অযোধ্যা আৰু ডেৰাডুন ভ্ৰমণ সামৰি কালি ড° ৰামগোলাম নতুন দিল্লীত উপস্থিত হয়। আঠদিনীয়া চৰকাৰী ভ্ৰমণ সামৰি আজি প্ৰধানমন্ত্ৰীগৰাকী মৰিছাছলৈ ৰাওনা হ'ব।

০০০০০০০০০

অটোমোবাইল বজাৰৰ ক্ষেত্ৰখনত ভাৰতে-জাপানক পিছপেলাই বিশ্বৰ ভিতৰত তৃতীয় শ্ৰেষ্ঠ দেশ হিচাপে পৰিগণিত হৈছে। সমাগত ৫ বছৰত অটোমোবাইল বজাৰৰ ক্ষেত্ৰখনত দেশে শীৰ্ষ স্থান দখল কৰাৰ দিশত অগ্ৰসৰ হৈছে। নতুন দিল্লীত কালি **আন্তঃৰাষ্ট্ৰীয় মূল্য সন্মিলন ২০২৫**ত উদ্বোধন কৰি কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নিতিন গাডকাৰীয়ে এইদৰে কয়। সেউজ গতিশীলতা আৰু আন্তঃগাঁথনি উন্নয়নৰ দিশতো ভাৰতে উল্লেখযোগ্য স্থান লাভ কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে দেশত বিশ্বৰ ভিতৰতে দ্বিতীয় বৃহৎ পথ নেটৱৰ্ক ব্যৱস্থা আছে। ভাৰতে আইচ' বিউটানল আৰু বায়' বিটুমেনৰ দৰে নতুন ইন্ধনৰ ক্ষেত্ৰতো অগ্ৰগতি লাভ কৰিছে। এই সন্মিলনত বিশেষজ্ঞসকলক একত্ৰিত কৰি দক্ষতা, বহনক্ষমতা আৰু অৰ্থনৈতিক দিশসমূহ উন্নত কৰাৰ বাবে আলোচনা কৰা হ'ব।

০০০০০০০

লোকসেৱা আৰু সুশাসনৰ দ্বাৰা পৰিচালিত হৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত চৰকাৰে পৰিৱৰ্তন আৰু প্ৰগতি অনাৰ বাবে নিৰন্তৰ কাম কৰি আহিছে। আমাৰ সেৱা পৰ্বৰ বিশেষ প্ৰতিবেদনলানিত আজি আগবঢ়াইছো পৰিৱেশ সংস্কৰণৰ ক্ষেত্ৰত ভাৰতৰ বিশ্বৰ নেতৃত্বলৈ লৈ যোৱাত মোদী চৰকাৰৰ প্ৰয়াসৰ বিষয়ে।

০০০০০০০০০

সেৱা পৰ্ব উপলক্ষে আকাশবাণী গুৱাহাটী কেন্দ্ৰই প্ৰচাৰ কৰা আলোচনালানিৰ অংশ হিচাপে আজি বিয়লি তিনি বাজি দুই মিনিটত প্ৰশাসনীয় সংস্কাৰৰ জৰিয়তে সাহসিকতাপূৰ্ণ অৰ্থনৈতিক বিকাশ শীৰ্ষক এটি আলোচনা প্ৰচাৰ কৰা হ'ব। ইয়াত ভাগ ল'ব জ্যেষ্ঠ সাংবাদিক নৱ ঠাকুৰীয়া আৰু আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ জ্যেষ্ঠ বাতৰি পৰিৱেশিকা অৰুণিমা গোস্বামীয়ে।

০০০০০০০০০

ওৰে নিশা হোৱা প্ৰবল বৰষুণে পাৰ্বত্য ৰাজ্য উত্তৰাখণ্ডৰ ৰাজধানী ডেৰাডুনৰ দৈনন্দিন জীৱনযাত্ৰা বিঘ্নিত কৰিছে। ডেৰাডুনত প্ৰায় ১০০ লোকক প্ৰশাসনে নিৰাপদে উদ্ধাৰ কৰিছে। মহানগৰখনৰ বিভিন্ন স্থানত ধাৰাবাহিক বৰষুণৰ ফলত কেইবাটাও পথ আৰু কেইবাখনো দলঙৰ ক্ষতি হৈছে। মুখ্যমন্ত্ৰী পুস্কৰ সিং ধামীয়ে ইতিমধ্যে ক্ষতিগ্ৰস্ত এলেকাসমূহ পৰিদৰ্শন কৰাৰ লগতে সাহায্য অভিযানৰ পৰ্যবেক্ষণ কৰিছে। তেওঁ বিভাগীয় বিষয়া-বৰ্গক সাহায্য সামগ্ৰী, নিৰাপদ আশ্ৰয়, খাদ্য, খোৱাপানী আৰু স্বাস্থ্য সেৱাৰ ব্যৱস্থা নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে।

বতৰ বিজ্ঞান বিভাগে আজি ডেৰাডুন, নাইনিতাল আৰু চম্পাৱত জিলাত প্ৰবল বৰষুণৰ কমলা সতৰ্কীকৰণ জাৰি কৰিছে। ৰাজ্যখনৰ অন্যান্য স্থানতো বৰষুণ হোৱাৰ সম্ভাৱনা বিভাগে ব্যক্ত কৰিছে।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহে আজি উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুস্কৰ সিং ধামীলৈ টেলিফোন কৰি ৰাজ্যখনত প্ৰবল বৰষুণে সৃষ্টি কৰা পৰিস্থিতিৰ বুজ লয়। প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীয়ে ৰাজ্যখনলৈ সকলোধৰণৰ সাহায্য আগবঢ়োৱাৰ আশ্বাস দিয়ে। মুখ্যমন্ত্ৰী ধামীয়ে প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীক ধন্যবাদ জনাই কয়, যে তেওঁলোকৰ সমৰ্থনে ৰাজ্যখনত সাহায্য অভিযান খৰতকীয়া কৰি তোলাত সহায় কৰিব।

ooooooooo

নতুন দিল্লীৰ ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় কলাকেন্দ্ৰৰ সম্ভেট প্ৰেক্ষাগৃহত আজি আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ ভিত্তিত এখন কলা প্ৰদৰ্শনীৰ আয়োজন কৰা হৈছে। কেন্দ্ৰটোৰ কলাদৰ্শন বিভাগৰ বিভাগীয় মুৰববী অধ্যাপক ৰিচা কাম্বোজৰ পৰিকল্পনাত আয়োজিত এই প্ৰদৰ্শনীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন কী বাত অনুষ্ঠানৰ দ্বাৰা প্ৰভাৱিত হয়। জ্যেষ্ঠ শিল্পী মনজিৎ সিঙে অঁকা এলানি ছবি প্ৰদৰ্শন কৰা হ'ব। এই প্ৰদৰ্শনী কাইলৈৰ পৰা ২২ ছেপ্তেম্বৰলৈকে দিনৰ চাৰে ১০ বজাৰ পৰা সন্ধিয়া চাৰে ৬ বজালৈকে মুকলি থাকিব।

ooooooooo

বিশ্বজুৰি আজি বিশ্ব অ'জ'ন দিৱস পালন কৰা হৈছে। পৃথিৱীৰ সুৰক্ষাৰ ক্ষেত্ৰত থকা বায়ুমণ্ডলৰ অ'জ'ন স্তৰৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ প্ৰতি সজাগতা সৃষ্টিৰ উদ্দেশ্যে এই দিৱস উদযাপন কৰা হৈ আহিছে। এই বছৰৰ এই দিৱসৰ মূল বিষয়বস্তু হৈছে – 'বিজ্ঞানৰ পৰা গোলকীয় কৰ্মৰাজিলৈ'। বৈজ্ঞানিক আৱিষ্কাৰসমূহ কিদৰে নীতি-নিৰ্ধাৰণৰ বাবে ব্যৱহাৰ কৰা হ'ব আৰু পৰিৱেশৰ প্ৰতি অহা প্ৰত্যাহ্বানসমূহৰ মুখামুখি হোৱাত আন্তৰ্জাতিক সহযোগিতা তথা ঐক্যবদ্ধ কৰ্মৰ শক্তিয়ে কিদৰে কাম কৰিব সেই বিষয়ে এই অভিযানৰ জৰিয়তে সজাগতা সৃষ্টি কৰাৰ প্ৰয়াস কৰা হয়। পৃথিৱীৰ ওপৰত থকা ছাতিৰ দৰে অ'জ'ন স্তৰে সূৰ্যৰ পৰা বিকিৰিত অপকাৰী অতি বেঙুনীয়া ৰশ্মিক বাধা দিয়ে। এই প্ৰাকৃতিক প্ৰতিবন্ধকে জীৱকুলৰ ছালৰ কৰ্কট ৰোগ, কেটেৰেক্ট প্ৰতিৰোধ কৰাৰ লগতে সামগ্ৰিকভাৱে পৰিৱেশতন্ত্ৰক সুৰক্ষা দিয়ে। আজিৰ পৰা ৪০ বছৰ আগতে অ'জ'ন স্তৰৰ সংৰক্ষণৰ বাবে বিশ্বৰ বহুতো দেশ ভিয়েনা আলোচনাত মিলিত হৈছিল। এই বৈঠকতে অ'জ'ন স্তৰৰ সংৰক্ষণৰ ক্ষেত্ৰত বিশ্বজোৰা প্ৰতিশ্ৰুতিবদ্ধতাক লৈ দেশসমূহ সহমতত উপনীত হৈছিল।

ooooooooo

এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি নিশা ৮ বজাত আবু ধাবিত হ'বলগীয়া এখন খেলত বাংলাদেশ, আফগানিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ডুবাইৰ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত যোৱা নিশা অনুষ্ঠিত গ্ৰুপ-বিৰ এখন খেলত শ্ৰীলংকাই হংকঙক ৪ উইকেটত পৰাস্ত কৰে। হংকঙৰ ১৫০ ৰানৰ বিজয় লক্ষ্য অতিক্ৰম কৰি শ্ৰীলংকাই ১৫৩ ৰানেৰে বিজয় সাব্যস্ত কৰে। শ্ৰীলংকাৰ হৈ পাথুম নিছাংকাই ৬৮ ৰান কৰি প্লেয়াৰ অৱ মেচ সন্মান লাভ কৰে। ইয়াৰ পূৰ্বে শ্ৰীলংকাই টছত জয়ী হৈ প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়।

আবু ধাবিৰ জায়েদ ক্ৰিকেট ষ্টেডিয়ামত যোৱা নিশা অনুষ্ঠিত গ্ৰুপ-এৰ আন এখন খেলত সংযুক্ত আৰৱ আমিৰশ্বাহীয়ে ওমানক ৪২ ৰানত পৰাজিত কৰে। প্ৰথমে বেটিং কৰি ইউ এ ইয়ে নিৰ্ধাৰিত ২০ অ'ভাৰত ৫ উইকেটৰ বিনিয়মত ১৭২ ৰান সংগ্ৰহ কৰাৰ বিপৰীতে ওমানে আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ ১৩০ ৰানহে কৰিবলৈ সমৰ্থ হয়।

০০০০০০০

চীনত অনুষ্ঠিত স্পীড স্কেটিং বিশ্ব চেম্পিয়নশ্বিপত স্বৰ্ণপদক অৰ্জন কৰা আনন্দকুমাৰ ভেলকুমাৰক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ আৰু প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে অভিনন্দন জনাইছে। আনন্দ কুমাৰে প্ৰতিযোগিতাখনত পুৰুষৰ জ্যেষ্ঠ শাখাৰ এহেজাৰ মিটাৰ স্প্ৰীণ্ট বিভাগত স্বৰ্ণপদক অৰ্জন কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে আনন্দ কুমাৰ ভেলকুমাৰৰ সাফল্যই বিশ্বৰ স্কেটিং চেম্পিয়নশ্বিপত ভাৰতক প্ৰথম বিজয়ী কৰি তুলিলে। খেলুৱৈগৰাকীৰ সাফল্যই দেশৰ তৰুণ প্ৰজন্মক উৎসাহিত কৰি তুলিব বুলি শ্ৰী মোদীয়ে আশা প্ৰকাশ কৰে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয়, যে শ্ৰী ভেলকুমাৰে ভাৰতৰ হৈ প্ৰথমটো স্বৰ্ণপদক অৰ্জন কৰি এইক্ষেত্ৰত অনুকৰণীয় উদাহৰণ প্ৰতিষ্ঠা কৰিলে।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কয়, যে আনন্দ কুমাৰ ভেল কুমাৰে প্ৰতিযোগিতাখনত স্বৰ্ণ পদক অৰ্জন কৰি দেশক গৌৰৱান্বিত কৰি তুলিলে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী সিঙে কয়, যে খেলুৱৈগৰাকীৰ সাফল্য ভাৰতীয় ক্ৰীড়াৰ বাবে মাইলৰ খুটি হৈ ৰ'ব।

০০০০০০০০০

এফ আই ডি ই মহিলাৰ গ্ৰাঁ ছুইচ, ২০২৫-ৰ খিতাপ লাভ কৰা বৈশালী ৰমেশ বাবুক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ আৰু প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে অভিনন্দন জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে বৈশালী ৰমেশ বাবুৰ ধৈৰ্য্য আৰু নিষ্ঠা সকলোৰে বাবে অনুকৰণীয়। শ্ৰী মোদীয়ে ভৱিষ্যতে অধিক আগবাঢ়ি যোৱাৰ ক্ষেত্ৰত শ্ৰীমতী ৰমেশ বাবুক শুভেচ্ছা জনায়।

গৃহমন্ত্ৰী অমিত শ্বাহে কয়, যে শ্ৰীমতী ৰমেশ বাবুৰ সাফল্য হৈছে – বিশ্বৰ দবাৰ ক্ষেত্ৰখনত ভাৰতৰ ক্ৰমবৰ্ধমান প্ৰভাৱৰ উপযুক্ত নিদৰ্শন। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে বৈশালী ৰমেশ বাবুৰ সাফল্যক দেশৰ বাবে গৌৰৱৰ মুহূৰ্ত বুলি অভিহিত কৰে। সামাজিক মাধ্যমত শ্ৰী সিঙে কয়, যে খেলুৱৈগৰাকীৰ বিজয়ে তেওঁৰ প্ৰতিভাক প্ৰকৃতাৰ্থতে প্ৰতিফলিত কৰিছে।

০০০০০০০০০

সমাপ্ত